# গৌহাটি উচ্চ ন্যায়ালয়

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

**গুৱাহাটী প্ৰধান বিচাৰপীঠ**

**<u>ফৌজদাৰী আপীল নং ৫০/২০১৯</u>**

(ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ)

অৰূপ ৰাভা ...................... আপীলকাৰী

বনাম

অসম ৰাজ্য গং .................. উত্তৰবাদী

আবেদনকাৰীৰ পক্ষে: শ্ৰী এছ. ডি. পুৰকায়স্থ, অধিবক্তা

উত্তৰবাদীৰ পক্ষে: শ্ৰীমতী বি. ভূঞা, অতিৰিক্ত লোক অধিবক্তা

**মাননীয় ন্যায়াধীশ শ্ৰীযুত সুমন শ্যাম**

**মাননীয় ন্যায়াধীশ শ্ৰীযুত অৰুণ দেৱ চৌধুৰী**

শুনানিৰ তাৰিখ: ২৫/১০/২০২১ আৰু ২৭/১০/২০২১

ৰায়দানৰ তাৰিখ: ২৭/১০/২০২১

## ৰায় আৰু আদেশ (মৌখিক)

সুমন শ্যাম, ন্যায়াধীশ

আপীলকাৰীৰ হৈ হাজিৰ হোৱা বিজ্ঞ অধিবক্তা শ্ৰী এছ. ডি. পুৰকায়স্থৰ যুক্তি শুনা হ'ল৷ ১ নং উত্তৰবাদীৰ হৈ হাজিৰ হোৱা বিজ্ঞ অতিৰিক্ত লোক অধিবক্তা শ্ৰীমতী বি. ভূঞাৰ যুক্তিও শুনা হ'ল। ২ নং উত্তৰবাদীৰ হৈ কোনেও হাজিৰ হোৱা নাই।

২) ভাঃদঃবিঃ আইনৰ ধাৰা ৩৬৪(ক)/৩০২/২০১ৰ অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে একমাত্ৰ আপীলকাৰী অৰূপ ৰাভাক দোষী সাব্যস্ত কৰি সত্ৰ গোচৰ নং ২৫/২০১৬ত বিজ্ঞ অতিৰিক্ত সত্ৰ ন্যায়াধীশ, গোৱালপাৰাই ০৩/১২/২০১৮ তাৰিখে তেওঁক ভাঃদঃবিঃ আইনৰ ধাৰা ৩৬৪(ক) আৰু ৩০২ৰ অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে আজীৱন সশ্ৰম কাৰাদণ্ডৰে আৰু ভাঃদঃবিঃ আইনৰ ধাৰা ধাৰা ২০১ অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে পাঁচ বছৰৰ বাবে সশ্ৰম কাৰাদণ্ডৰে লগতে ৫০০০.০০ টকাৰ জৰিমনা আদায় দিয়াৰ দণ্ডৰে; অনাদায়ে আৰু এবছৰৰ বাবে সশ্ৰম কাৰাদণ্ডৰে (সকলো শাস্তি একেসময়তে চলি থাকিব) দণ্ডিত কৰা ৰায়দানৰ বিৰূদ্ধে একমাত্ৰ আপীলকাৰীয়ে অত্ৰ আপীল দাখিল কৰিছে।

৩) সংক্ষেপে অভিযোজন পক্ষৰ গোচৰটো হল যে ০২/০৮/২০১৪ তাৰিখে আগিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ ওচৰত শ্ৰী নিখিল চন্দ্ৰ কলিতাই (অভিযোজন সাক্ষী-১) এজাহাৰ দাখিল কৰি জনাইছিল যে ইংৰাজী ৩০/০৭/২০১৪ তাৰিখে প্ৰায় ৩.০০ বজাত ৰবৰ যোগান ধৰাৰ অজুহাতত কোনোবাই তেওঁৰ ভনী-জোঁৱাই শ্ৰী যোগেন্দ্ৰ নাৰায়ণ কলিতা(মৃতক)ক ফাফাংগা দ্বিতীয় খণ্ড, বৰমহৰালৈ ফোনযোগে মাতিছিল। ফোনযোগে মাতাৰ লগে লগে তেওঁৰ ভনী-

জোঁৱাই পঞ্জীয়ন নং এএছ-১৮এ-৬৬৭০ থকা মটৰ চাইকেলখনেৰে ঘৰৰ পৰা ওলাই যায় কিন্তু তাৰ পিছত তেওঁ নিৰুদ্দেশ হয়। যিহেতু তেওঁৰ ভনী-জোঁৱাই ৰাতি ঘৰলৈ উভতি নাহিল, সেয়েহে তেওঁক বিচাৰি ব্যাপক অনুসন্ধান কৰা হ'ল যদিও ভুক্তভোগীৰ সন্ধান উলিয়াব পৰা নগ'ল। পিছলৈ ৰাতি প্ৰায় ১০.০০ বজাত কিছুমান দুষ্কৃতিকাৰীয়ে তেওঁৰ কনিষ্ঠ ভাতৃ অৰ্থাৎ শ্ৰী সৈলেন দাসক তেওঁৰ ফোন নং ৯৭০৭৩২৭১৮৪২ত তেওঁৰ নিৰুদ্দেশ হোৱা ভায়েকৰ ফোন নং ৮৭২১৮২৮৯৮৮ৰ পৰা ফোন কৰি যোগেন কলিতা তেওঁলোকৰ লগত আছে বুলি জনোৱাৰ লগতে তেওঁৰ মুক্তিৰ বাবে ১০ লাখ টকাৰ মুক্তিপণ দাবী কৰিছিল। তাৰ পিছতে মোবাইলটো চুইচ অফ কৰি দিয়ে। এনে পৰিস্থিতিত বিষয়টো সংক্ৰন্তত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰাৰ্থনা কৰা হৈছিল।

৪) ০২/০৮/২০১৪ তাৰিখৰ এজাহাৰৰ ভিত্তিত আগিয়া থানাৰ গোচৰ নং ১০৭/২০১৪ ভাঃদঃবিঃ আইনৰ ধাৰা ৩৬৪(এ)ৰ অধীনত পঞ্জীয়ন কৰা হৈছিল তাৰ পিছত তদন্ত আৰম্ভ কৰা হৈছিল। তদন্তৰ সময়ত যোগেন্দ্ৰ নাৰায়ণ কলিতা ওৰফে যোগেন কলিতাৰ মৃতদেহ উদ্ধাৰ হয় আৰু সেয়েহে ভাঃদঃবিঃ আইনৰ ধাৰা ৩০২/২০১ সংযোজন কৰা হয়। আপীলকাৰীকে ধৰি পাঁচজন ব্যক্তিক তদন্তকাৰী বিষয়ৰ দ্বাৰা গ্ৰেপ্তাৰ কৰা হয় আৰু মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয়। তদন্তকাৰী বিষয়াই দাবী কৰিছিল যে আপীলকাৰী আৰু আন এজন অভিযুক্ত অনুপম ৰাভাই দেখুৱাই দিয়া মতে দণ্ডাধীশৰ উপস্থিতিত ভুক্তভোগীৰ মৃতদেহটো খান্দি উলিওৱা হৈছিল। তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত তদন্তকাৰী বিষয়াই পাঁচোজন অভিযুক্তৰ বিৰুদ্ধে অভিযোগপত্ৰ দাখিল কৰিছিল। তদন্তকাৰী বিষয়াই দাখিল কৰা অভিযোগপত্ৰ ভিত্তিত অভিযুক্ত ব্যক্তিসকলৰ বিৰুদ্ধে ভাঃদঃবিঃ আইনৰ ধাৰা

৩৬৪(এ)/৩৬৮/৩০২/২০১/৩৪ৰ অধীনত দোষাৰোপ নিৰ্ধাৰণ কৰা হৈছিল যিটো তেওঁলোকক পঢ়ি শুনাই বুজাই দিয়া হৈছিল। কিন্তু যিহেতু অভিযুক্ত ব্যক্তিসকলে নিজকে নিৰ্দোষী বুলি দাবী কৰিছিল আৰু বিচাৰৰ সন্মুখীন হব বিচাৰিছিল, সেয়েহে বিষয়টো বিচাৰৰ বাবে উত্থাপন হৈছিল।

৫) গোচৰটো সম্পূৰ্ণৰূপে পৰিস্থিতিগত প্ৰমাণৰ ওপৰত ভিত্তি কৰি কৰা হৈছিল। অভিযোজন পক্ষই লগতে দাবী কৰিছে যে আপীলকাৰীয়ে ব্যক্ত কৰা কথাৰ ভিত্তিত অভিযুক্তই দেখুৱাই দিয়া মতে মৃতদেহটো উদ্ধাৰ কৰা হৈছিল৷ অভিযুক্তই তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ অস্বীকাৰ কৰিছে। প্ৰতিৰক্ষা পক্ষই অৱশ্যে কোনো সাক্ষ-প্ৰমাণ উত্থাপন কৰা নাছিল। অভিযোজন পক্ষই উত্থাপন কৰা প্ৰমাণ বিশ্লেষণ কৰি বিজ্ঞ নিম্ন আদালতে আপীলকাৰী অৰূপ ৰাভাক ভাঃদঃবিঃ আইনৰ ধাৰা ৩৬৪(এ)/৩০২/২০১ৰ অধীনত দোষী সাব্যস্ত কৰি আৰু ওপৰত উল্লেখ কৰা ধৰণে শাস্তি প্ৰদান কৰিছিল আৰু প্ৰমাণৰ অভাৱত আন চাৰিজন অভিযুক্তক খালাচ দিছিল।

৬) গোৱালপাৰাৰ বিজ্ঞ অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ ০৩/১২/২০১৮ তাৰিখৰ বিবাদিত ৰায় আৰু আদেশৰ প্ৰসংগ লৈ শ্ৰী পুৰকায়স্থই যুক্তি দিছে যে অভিযুক্তই/আপিলকাৰীয়ে দেখুৱাই দিয়া মতে মৃতদেহটো উদ্ধাৰ কৰা বুলি অভিযোজন পক্ষৰ দাবী সমৰ্থন কৰিব পৰাকৈ কোনো প্ৰমাণ নাই৷ কিন্তু সাক্ষ্য আইনৰ ধাৰা ২৭ অনুসৰি প্ৰমাণ আছে বুলি ধৰি ল'লেও, সেয়া মাত্ৰ পৰিস্থিতিৰ শৃংখলৰ এক অতিৰিক্ত যোগসূত্ৰ হ'ব। এই গোচৰটো পৰিস্থিতিগত প্ৰমাণৰ ওপৰত ভিত্তি কৰি হোৱা বাবে, শ্ৰী পুৰকায়স্থৰ মতে অভিযোজন পক্ষই আপীলকাৰীক দোষী সাব্যস্ত কৰিবলৈ পৰিস্থিতিৰ শৃংখল স্থাপন কৰাত ব্যৰ্থ হৈছে। শ্ৰী পুৰকায়স্থই দৰ্শাইছে যে তেওঁৰ মক্কেলক দোষী সাব্যস্ত কৰিবলৈ

কোনো প্ৰমাণ নাই আৰু সেয়েহে ০৩/১২/২০১৮ তাৰিখৰ বিবাদিত ৰায় আৰু আদেশ ৰদ কৰি আপীলকাৰীক মুক্ত কৰা হওক। তেওঁৰ ওপৰৰ যুক্তিৰ সমৰ্থনত শ্ৰী পুৰকায়স্থই তলত দিয়া সিদ্ধান্তসমূহৰ ওপৰত নিৰ্ভৰ কৰিছে:-

১. আন্তৰ সিং বনাম ৰাজস্থান ৰাজ্য [(২০০৪)১০ এছচিচি ৬৫৭]।

২. সেখ ইউছুফ বনাম পশ্চিম বংগ ৰাজ্য [(২০১১)১১ এছচিচি ৭৫৪]

৩. মুস্তাকিম ওৰফে ছিৰাজুদ্দিন বনাম ৰাজস্থান ৰাজ্য [(২০১১)১১ এছচিচি ৭২৪]

৭) আনহাতে বিজ্ঞ অতিৰিক্ত লোক অধিবক্তা, অসম, শ্ৰীমতী ভূঞাই যুক্তি দৰ্শাইছে যে গোচৰৰ নথিত থকা প্ৰমাণে স্পষ্টভাৱে দেখুৱাইছে যে দুষ্কৃতিকাৰীয়ে ভুক্তভোগীক ফোনযোগে মাতিছিল আৰু পিছত মুক্তিপণৰ বাবে অপহৰণ কৰিছিল। আনকি সেই ধন লাভ কৰাৰ পিছতো ভুক্তভোগীক হত্যা কৰা হয় আৰু তাৰ পিছত মৃতদেহটো এটা হাবিৰ ভিতৰত লুকুৱাই ৰখা হয় যিটো অৱশেষত অভিযুক্ত ব্যক্তিয়ে দেখুৱাই দিয়া মতে আৰক্ষীয়ে থান্দি উলিয়ায়। এনে পৰিস্থিতিৰ ভিত্তিত দোষী সাব্যস্ত কৰিবলৈ অভিযুক্ত/আপিলকাৰীৰ বিৰুদ্ধে কোনো প্ৰমাণ নাই বুলি ক'ব নোৱাৰি। ইয়াৰ ভিত্তিত শ্ৰীমতী ভূঞাই দৰ্শাইছে যে আপীলকাৰী দোষী সাব্যস্ত হোৱাৰ ক্ষেত্ৰত এই আদালতৰ কোনো হস্তক্ষেপৰ প্ৰয়োজন নাই।

৮) আমি দুয়োপক্ষৰ বিজ্ঞ অধিবক্তাই দৰ্শোৱা যুক্তিসমূহৰ ওপৰত আমাৰ উপযুক্ত বিবেচনা নিক্ষেপ কৰিছো আৰু নথিত থকা প্ৰমাণসমূহও সঠিকভাৱে পঢ়িছো। যিহেতু আপীলকাৰীৰ মূল অজুহাত এইটোৱেই যে আপীলকাৰীক দোষী

সাব্যস্ত কৰিবলৈ পৰিস্থিতিৰ শৃংখলটো প্ৰতিষ্ঠা কৰিব পৰাকৈ কোনো প্ৰমাণ নাই, গতিকে অভিযোজন পক্ষৰ দ্বাৰা উত্থাপন কৰা প্ৰমাণৰ সন্দৰ্ভত আমাৰ বাবে এক চমু আলোচনা কৰাটো প্ৰয়োজনীয় হ'ব।

৯) ওপৰত উল্লেখ কৰা দৰে শ্ৰী নিখিল চন্দ্ৰ কলিতা (অভিযোজন পক্ষৰ সাক্ষী নং ১) হৈছে এই গোচৰত এজাহাৰকাৰী। অভিযোজন পক্ষৰ সাক্ষী নং ১য়ে আদালতত সাক্ষ্য দিছে যে ঘটনাটো ৩০/০৭/২০১৪ তাৰিখে সংঘটিত হৈছিল। সেইদিনা তেওঁৰ ভনী-জোঁৱাই যোগেন্দ্ৰ নাৰায়ণ কলিতাক কোনোবাই টেলিফোনযোগে মাতিছিলে আৰু তাৰ পিছত তেওঁ ওলাই গ'ল যদিও গোটেই দিনটো ঘৰলৈ উভতি নাহিল আৰু তেওঁৰ ডাঙৰ ভনীয়েকে তেওঁক জনাইছিল যে তেওঁৰ ভনী-জোঁৱাই ঘৰলৈ উভতি অহা নাই আৰু তাৰ পিছত তেওঁ তেওঁৰ সৰু ভনী-জোঁৱাই সৈলেন দাসৰ ঘৰলৈ গৈ গম পালে যে তেওঁক কোনোৱাই ফোন কৰি ভঙা অসমীয়া মাতেৰে কৈছিল যে তেওঁৰ নিৰুদ্দেশ হোৱা ভনী-জোঁৱাই তেওঁলোকৰ কবলত আছিল আৰু তেওঁৰ মুক্তিৰ বাবে ১০ লাখ টকা মুক্তিপণ দাবী কৰিছিল। পিছদিনা তেওঁ আগিয়া থানাত এজাহাৰ দাখিল কৰিছিল। প্ৰদৰ্শক ১ হৈছে উক্ত এজাহাৰ আৰু প্ৰদৰ্শক ১(১) হৈছে তেওঁৰ স্বাক্ষৰ। এই সাক্ষীয়ে কৈছে যে এজাহাৰ দাখিল কৰাৰ তাৰিখৰ পৰা প্ৰায় তিনিদিন পিছত তেওঁৰ ভনী-জোঁৱায়েক মৃতদেহ উদ্ধাৰ হৈছিল। কিন্তু পিছত তেওঁ উল্লেখ কৰিছিল যে এজাহাৰ দাখিল কৰা তাৰিখৰ পৰা প্ৰায় ৭ দিনৰ পিছত বৰনহাৰা লেথেংগা পাহাৰত তেওঁৰ ভনী-জোঁৱায়েক মৃতদেহ উদ্ধাৰ হৈছিল। পাহাৰৰ কিছু শিলৰ তলত পুতি থোৱা মৃতদেহটো চিনাক্ত কৰিবলৈ আৰক্ষীয়ে তেওঁক সেই ঠাইলৈ লৈ গৈছিল। দণ্ডাধীশ, আৰক্ষী আৰু অভিযুক্ত অৰূপ ৰাভাৰ উপস্থিতিত মৃতদেহটো খান্দি উলিয়ায়। পিছত মৃতদেহটো

থানালৈ লৈ যোৱা হয় আৰু দণ্ডাধীশে ছুৰতহাল প্ৰতিবেদন প্ৰস্তুত কৰিছিল। প্ৰদৰ্শক ২ হৈছে ছুৰতহাল প্ৰতিবেদন আৰু প্ৰদৰ্শক ২(১) হৈছে তেওঁৰ স্বাক্ষৰ। অভিযুক্ত অৰূপ ৰাভাই জেৰা কৰাৰ সময়ত অভিযোজন পক্ষৰ সাক্ষী নং ১য়ে কৈছে যে বহু লোকে খৰি সংগ্ৰহ কৰিবলৈ জংঘললৈ গৈছিল।

১০) অভিযোজন পক্ষৰ ২ নং সাক্ষী হৈছে সৈলেন দাস। তেওঁ অভিযোজন পক্ষৰ ১ নং সাক্ষীৰ ভনী-জোঁৱাই আৰু ভুক্তভোগীৰ শালপতি। অভিযোজন পক্ষৰ ২ নং সাক্ষীয়েও কৈছে যে এই ঘটনা প্ৰায় ২.৫ বছৰ আগতে সংঘটিত হৈছিল। টেলিফোনযোগে মাতাৰ লগে লগে তেওঁৰ শালপতি (মৃতক) ঘৰৰ পৰা ওলাই যায় আৰু তাৰ পিছত নিৰুদ্দেশ হয়। সেইদিনা প্ৰায় ১০/১০.৩০ বজাত তেওঁৰ মোবাইল ফোনত কোনোবাই ফোন কৰে আৰু তেওঁক কয় যে ভুক্তভোগী তেওঁলোকৰ লগত আছে, তেওঁৰ কাৰণে চিন্তা কৰাৰ কোনো প্ৰয়োজন নাই আৰু তেওঁলোকে ১০,০০,০০০/- টকা বিচাৰে। ফোন কৰা মানুহজনে তেওঁক আৰক্ষীক খবৰ নিদিবলৈ সকীয়াই দিছিল। সেই অনুসৰি তেওঁ সেই নিশাই জেশাহু কল্যাণী কলিতা অৰ্থাৎ মৃতকৰ পত্নীক খবৰ দিয়ে। অভিযোজন পক্ষৰ ২ নং সাক্ষীৰ মতে তিনিদিন পিছত মুক্তিপণৰ ধন দিয়া হয় আৰু আপীলকাৰীয়ে লেথেংগা পাহাৰত তেওঁৰ খুলশালীয়েক যোগেন্দ্ৰ নাৰায়ণ কলিতাৰ মৃতদেহ দেখুৱাই দিছিল। ইয়াৰ পিছতে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে লৈ যোৱা হয়। প্ৰতিৰক্ষা অধিবক্তাৰ দ্বাৰা জেৰা কৰাৰ সময়ত অভাযোজন পক্ষৰ ২ নং সাক্ষীয়ে কয় যে অভিযুক্ত অৰূপ ৰাভাই যোগেন্দ্ৰ নাৰায়ণ কলিতাৰ মৃতদেহ দেখুৱাই দিছিল। অভিযোজন পক্ষৰ ২ নং সাক্ষীয়ে লগতে কয় যে তেওঁৰ খুলশালী (অভিযোজন পক্ষৰ ১ নং সাক্ষী) আৰু আন কিছু ব্যক্তিয়ে আৰক্ষীৰ লগত গৈছিল আৰু অভিযুক্তই তেওঁৰ শালপতিৰ মৃতদেহ

উদ্ধাৰৰ বাবে দেখুৱাই দিছিল। অভিযুক্ত অৰূপ ৰাভাই তেওঁলোকক মৃতদেহটো দেখুৱাই দিয়া নাছিল বুলি কৰা উক্তি এই সাক্ষীয়ে অস্বীকাৰ কৰিছে।

১১) অভিযোজন পক্ষৰ ৩ নং সাক্ষী, কল্যাণী কলিতা হৈছে এজাহাৰকাৰীৰ ভগ্নী আৰু মৃতকৰ পত্নী। অভিযোজন পক্ষৰ ৩ নং সাক্ষীয়ে সাক্ষ্যত কৈছে যে ৩০/০৭/২০১৪ তাৰিখে আবেলি প্ৰায় ৩.০০ বজাত ফোনযোগে মাতাৰ পিছত তেওঁৰ স্বামী ওলাই গৈছিল। তেওঁৰ স্বামীয়ে বৰমোহৰালৈ যাব বুলি কৈছিল যদিও ৰাতি ১০.০০ বজালৈকে ঘৰলৈ উভতি নাহিল। ৰাতি প্ৰায় ১০.০০ বজাত তেওঁৰ ভনী-জোঁৱাই সৈলেন (অভিযোজন পক্ষৰ ২ নং সাক্ষী) ফোনযোগে তেওঁক জনাইছিল যে তেওঁৰ স্বামীক আচামীয়ে আটক কৰি ৰাখিছে আৰু মুকলি কৰি দিয়াৰ বাবে ১০ লাখ টকা মুক্তিপণ দাবী কৰিছে। ইয়াৰ পিছতে তেওঁৰ ভাতৃ নিখিল (অভিযোজন পক্ষৰ ১ নং সাক্ষী) আৰু খুড়া বিষ্ণু ৰাম কলিতাই তেওঁৰ স্বামীৰ সন্ধান আৰম্ভ কৰে যদিও তেওঁক বিচাৰি নাপালে। ঘটনাৰ প্ৰায় ৭/৮ দিনৰ পাছত লেথেংগা পাহাৰত তেওঁৰ স্বামীৰ মৃতদেহ উদ্ধাৰ হয়। অভিযোজন পক্ষৰ ৩ নং সাক্ষীয়ে সাক্ষ্যত কৈছে যে তেওঁৰ স্বামীৰ মৃতদেহটো নিমখ ভৰ্তি দুটা বস্তাৰ মাজত ৰখা হৈছিল আৰু তেওঁৰ ভাতৃৰ সৈতে আগিয়া আৰক্ষীয়ে গৈ মৃতদেহটো উদ্ধাৰ কৰে। ইয়াৰ পিছতে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে লৈ যোৱা হয় আৰু তাৰ পিছত তেওঁলোকৰ হাতত গতাই দিয়া হয়। আচামী চন্দ্ৰ কুমাৰ বিশ্বাসৰ দ্বাৰা জেৰা কৰাৰ সময়ত অভিযোজন পক্ষৰ ৩ নং সাক্ষীয়ে কৈছে যে তেওঁ ফোন নম্বৰটো নাজানে বা কোনে তেওঁৰ ভনী-জোঁৱাই সৈলেনক ফোন কৰি মুক্তিপণ দাবী কৰিছিল সেই বিষয়েও নাজানে।

১২) অভিযোজন পক্ষৰ ৪ নং সাক্ষী কিশোৰ মোহন কলিতা ভুক্তভোগী যোগেন্দ্ৰ কলিতাৰ আন এজন সম্বন্ধীয় ভাই আৰু তেওঁৰ সাক্ষ্যত কৈছে যে তেওঁৰ মৃত সম্বন্ধীয় ভায়েক ৰবৰৰ ব্যৱসায়ী আছিল। প্ৰায় ২.৫ বছৰ আগতে কোনোবাই যোগেন কলিতাক ৰবৰ যোগান ধৰিব বুলি মাতি নিছিল। সেইদিনা ৰাতি প্ৰায় ১০.০০ বজাত তেওঁৰ পৰিয়ালৰ সদস্যলৈ কোনোবাই ফোন কৰিছিল আৰু উক্ত ফোনৰ পৰা জানিব পৰা গৈছিল যে ভুক্তভোগীজন কিছুমান দুষ্কৃতিকাৰীৰ কবলত আছিল আৰু দুষ্কৃতিকাৰীবোৰে তেওঁৰ মুক্তিৰ বাবে ১০ লাখ টকাৰ মুক্তিপণ বিচাৰিছিল। সেই নিশা তেওঁলোকে অনুসন্ধান কৰিছিল যদিও যোগেন কলিতাক বিচাৰি নাপালে। প্ৰায় ৪ দিন পিছত বৰমোহৰা পাহাৰত যোগেন্দ্ৰ কলিতাৰ মৃতদেহ উদ্ধাৰ হয় যিটো আৰক্ষীয়ে লৈ যায়। জেৰাৰ সময়ত অভিযোজন পক্ষৰ ৪ নং সাক্ষীয়ে কৈছে যে তেওঁ মৃতদেহটো দেখা নাছিল যদিও কেৱল শুনিছিল যে মৃতদেহটো আৰক্ষীয়ে লৈ গৈছিল।

১৩) অভিযোজন পক্ষৰ ৫ নং সাক্ষী জ্যোস্না কলিতাও ভুক্তভোগী যোগেন্দ্ৰ কলিতাৰ সম্পৰ্কীয় যি তেওঁৰ ভনী-জোঁৱাই আছিল। অভিযোজন পক্ষৰ ৫ নং সাক্ষীয়েও একেধৰণে সাক্ষ্যত কৈছে যে তেওঁৰ ভনী-জোঁৱাই (মৃত) ৰবৰৰ ব্যৱসায়ী আছিল আৰু ঘটনাৰ দিনা কোনোবাই তেওঁক ৰবৰ যোগান ধৰিবলৈ ফোন কৰিছিল। যিহেতু যোগেন্দ্ৰ কলিতা সন্ধিয়ালৈকে ঘৰলৈ উভতি নাহিল, সেয়েহে তেওঁলোকে তেওঁৰ মোবাইল ফোনত ফোন কৰিছিল যদিও চুইচ অফ (বন্ধ) পোৱা গৈছিল। সেইদিনা ৰাতি প্ৰায় ১০.০০ বজাত তেওঁলোকক কোনো অচিনাক্ত ব্যক্তি ফোন কৰি কৈছিল যে যোগেন্দ্ৰ কলিতা তেওঁলোকৰ কবলত আছে আৰু তেওঁক মুক্তিৰ বাবে ১০ লাখ টকাৰ মুক্তিপণ দাবী কৰিছিল। ইয়াৰ প্ৰায় ৭ দিন পিছত লেথেংগা পাহাৰত যোগেন্দ্ৰ কলিতাৰ মৃতদেহ উদ্ধাৰ

হয়। মৃতদেহটোৰ ওপৰত নিমখ বিয়পাই পাহাৰত পুতি থোৱা হৈছিল। জেৰাৰ সময়ত অভিযোজন পক্ষৰ ৫ নং সাক্ষী কৈছে যে আৰক্ষীয়ে তেওঁৰ জবানবন্দী লিপিবদ্ধ কৰা নাছিল, কেৱল আচামীক চাবলৈহে মাতিছিল। সেয়েহে আদালতত কোৱা কথাখিনি আৰক্ষীৰ আগত কোৱা নাছিল।

১৪) অভিযোজন পক্ষৰ ৬ নং সাক্ষী সুনীল হৰিজন হৈছে ছাপাই কৰ্মী আৰু আৰক্ষীয়ে তেওঁক আৰু আন এজন ছাপাই কৰ্মী পানিয়া বাহফৰক বৰমোহৰা পাহাৰলৈ লৈ যোৱাত তেওঁলোকে মৃতদেহটো খান্দি উলিয়াইছিল। অভিযোজন পক্ষৰ ৬ নং সাক্ষী সাক্ষ্যত কৈছে যে মৃতদেহটো ক'ত পুতি থোৱা হৈছিল সেইটো দেখুৱাই দিয়া ব্যক্তিজনক তেওঁ চিনি নাপায়।

১৫) অভিযোজন পক্ষৰ ৭ নং সাক্ষী হৰিশ মেধি হৈছে ছুৰতহালৰ সাক্ষী। অভিযোজন পক্ষৰ ৭ নং সাক্ষীয়ে ছুৰতহাল প্ৰতিবেদনত নিজৰ স্বাক্ষৰ প্ৰদৰ্শক ২(২) প্ৰমাণ কৰিছে। ছুৰতহালৰ সাক্ষী হোৱাৰ বাহিৰে এই সাক্ষীজনে আন কোনো তথ্যৰ বিষয়ে অৱগত হোৱা যেন নালাগে। একেদৰে আন এজন ছুৰতহালৰ সাক্ষী অভিযোজন পক্ষৰ ৮ নং সাক্ষী ধ্ৰুৱ জ্যোতি বৰুৱাই সাক্ষ্যত কৈছে যে তেওঁ শুনিছিল যে মৃত যোগেন্দ্ৰ নাৰায়ণ কলিতাক অপহৰণ কৰা হৈছিল আৰু পিছত লেথেংগাপাৰা পাহাৰত তেওঁৰ মৃতদেহ উদ্ধাৰ হৈছিল। এই সাক্ষীয়ে ছুৰতহাল প্ৰতিবেদনত নিজৰ স্বাক্ষৰ প্ৰদৰ্শক ২(৩) প্ৰমাণ কৰিছে।

১৬) অভিযোজন পক্ষৰ ৯ নং সাক্ষী সন্তোষ ৰাভাই সাক্ষ্যত কৈছে যে এই ঘটনা প্ৰায় ৩.৫ বছৰ আগতে সংঘটিত হৈছিল। আগিয়া থানাৰ “আলী” নামৰ এজন আৰক্ষীয়ে তেওঁক আৰু খনিন্দ্ৰ ৰাভাক মৃতদেহটো পুতি থোৱা ঠাইলৈ লৈ গৈছিল। আচামী অৰূপ ৰাভাই মৃতদেহটো পুতি থোৱা স্থান চিনাক্ত

কৰিছিল। তাৰ পিছতে ছাফাই কৰ্মীৰ সহায়ত আৰক্ষীয়ে মৃতদেহটো খান্দি উলিয়াইছিল। এই সাক্ষীয়ে এই কথাও নিশ্চিত কৰিছে যে আৰক্ষীয়ে আচামী অৰূপ ৰাভাক লগত লৈ গৈছিল আৰু সেই স্থান জংঘলে আগুৰি ধৰিছিল।

১৭) অভিযোজন পক্ষৰ ১০ নং সাক্ষী খনিন্দ্ৰ ৰাভাও সাক্ষ্যত কৈছে যে তেওঁ সন্তোষ (অভিযোজন পক্ষৰ ৯ নং সাক্ষী) আৰু আৰক্ষীৰ সৈতে সেই পাহাৰলৈ গৈছিল য'ৰ পৰা আৰক্ষীয়ে তেওঁৰ সাক্ষাতত মৃতদেহটো খান্দি উলিয়াইছিল। ইয়াৰ পিছত আৰক্ষীয়ে মৃতদেহটো লৈ যায়। এই সাক্ষীয়ে অৱশ্যে আচামী অৰূপ ৰাভাৰ উপস্থিতিৰ কথা বা আচামীয়ে মৃতদেহটো পুতি থোৱা ঠাইখন দেখুৱাইছিল বুলি কোৱা নাই।

১৮) অভিযোজন পক্ষৰ ১১ আৰু ১২ নং সাক্ষীৰ সাক্ষ্য এই গোচৰত বিশেষ তাৎপৰ্য্য নাই আৰু সেয়েহে আমি তেওঁলোকৰ সাক্ষ্যৰ বিষয়ে কোনো বিতংভাৱে আলোচনা কৰাটো প্ৰয়োজনীয় বুলি নাভাবো।

১৯) অভিযোজন পক্ষৰ ১৩ নং সাক্ষী, মহৰ্শ কাশ্যপ হৈছে গোৱালপাৰাৰ কাৰ্যবাহী দণ্ডাধীশ, যিয়ে যোগেন্দ্ৰ নাৰায়ণ কলিতাৰ মৃতদেহ ছুৰতহাল কৰিছিল। অভিযোজন পক্ষৰ ১৩ নং সাক্ষীয়ে সাক্ষ্যত কৈছে যে মৃতদেহটো নিখিল চন্দ্ৰ কলিতাই চিনাক্ত কৰিছিল। পৰীক্ষা কৰি তেওঁ পাইছিল যে ভুক্তভোগীজন এজন মধ্যমীয়া গঠনৰ ব্যক্তি আৰু তেওঁৰ উচ্চতা প্ৰায় ৫ ফুট ৭ ইঞ্চি আছিল। দাঁত স্বাভাৱিক, চুলি ক'লা, চকু মুদি থকা আৰু তেওঁৰ পিন্ধনত আছিল চেক বগা চাৰ্ট আৰু ক'লা পেন্ট আছিল। ছুৰতহাল কৰাৰ সময়ত তেওঁ মূৰত, বুকুৰ বাওঁফালে আঘাতৰ চিন পাইছিল যদিও আন কোনো আঘাত দেখা পোৱা নাছিল। জেৰাৰ সময়ত অভিযোজন পক্ষৰ ১৩ নং সাক্ষীয়ে

স্বীকাৰ কৰিছে যে তেওঁ স্থানীয় অঞ্চলটোৰ কোনো স্বতন্ত্ৰ সন্মানীয় ব্যক্তিক মাতা নাছিল আৰু তেওঁৰ প্ৰতিবেদনত তেওঁ গোচৰৰ চমু বিৱৰণ দিয়া নাছিল আৰু ছুৰতহাল কৰা সময়ত উপস্থিত থকা সাক্ষীসকলৰ জবানবন্দি লোৱা নাছিল।

২০) অভিযোজন পক্ষৰ ১৪ নং সাক্ষী ডাঃ জেড. হুছেইন যোৱা ০৭/০৮/২০১৪ তাৰিখে গোৱালপাৰা অসামৰিক চিকিৎসালয়ত কৰ্তব্যৰত জ্যেষ্ঠ চিকিৎসা আৰু স্বাস্থ্য বিষয়া আছিল যেতিয়া যোগেন্দ্ৰ নাৰায়ণ কলিতাৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে তালৈ অনা হৈছিল। অভিযোজন পক্ষৰ ১৪ নং সাক্ষীয়ে নিশ্চিত কৰিছে যে তেওঁ মৃতদেহটোৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰিছিল আৰু মৃতদেহটো চিনাক্ত কৰিছে এছ.আই. আলী হুছেইন আৰু কনিষ্টবল ধৰ্মেন্দ্ৰ ৰাভাই। মৃতদেহটো পৰীক্ষা কৰি অভিযোজন পক্ষৰ ১৪ নং সাক্ষী তলত দিয়া আঘাতবোৰ মৃতদেহত পাইছিল:-

"১) ছাবমেন্টাল (submental) অংশত অৰ্থাৎ ডিঙিৰ চাৰিওফালে ৩ ইঞ্চিকৈ কাটি লোৱা আঘাত।

২) মেন্টাল (mental) অংশত মেণ্ডিবল (mandible) ভাঙি যোৱা।

৩) কপালৰ বাওঁফালে ছুপেৰিওৰ অৰ্বিটেল ৰিজ (superior orbital ridge)ৰ ২ ইঞ্চি ওপৰত ১.৫ ইঞ্চি ছিদ্ৰযুক্ত আঘাত।

৪) কপালৰ সোঁ ফালে ছুপেৰিওৰ অৰ্বিটেল ৰিজ (superior orbital ridge)ৰ ২ ইঞ্চি ওপৰত ১.৫ ইঞ্চি ছিদ্ৰযুক্ত আঘাত।

৫) অক্সিপিটেল (occipital) অংশত ১ ইঞ্চি ছিদ্ৰযুক্ত আঘাত।

মৃতদেহটোত আন কোনো আঘাত নাছিল।"

২১) অভিযোজন পক্ষৰ ১৫ নং সাক্ষী ভবেশ চন্দ্ৰ বিশ্বাস ০২/০৮/২০১৪ তাৰিখে আগিয়া থানাত কৰ্তব্য কৰি থাকোতে অভিযোজন পক্ষৰ ১ নং সাক্ষীয়ে এজাহাৰখন দাখিল কৰিছিল। অভিযোজন পক্ষৰ ১৫ নং সাক্ষীয়ে সাক্ষ্যত কৈছে যে উক্ত এজাহাৰৰ ভিত্তিত এটা গোচৰ ৰুজু কৰা হৈছিল আৰু থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই তেওঁক গোচৰটোৰ তদন্ত কৰিবলৈ দিয়াত তেওঁ তদন্ত কৰিছিল। তদন্তৰ সময়ছোৱাত তেওঁ ঘটনাস্থলী পৰিদৰ্শন কৰি ইয়াৰ মানচিত্ৰ অংকন কৰিছিল। তেওঁ কিছুমান সাক্ষীৰ জবানবন্দি লিপিবদ্ধ কৰিছিল আৰু তাৰ পিছত, গোচৰৰ পঞ্জি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক জমা দিছিল কাৰণ ইয়াৰ মাজতে তেওঁক আগিয়া থানাৰ পৰা বদলি কৰা হৈছিল। জেৰাৰ সময়ত এই সাক্ষীয়ে নিশ্চিত কৰিছে যে ঘটনাটো ৩০/০৭/২০১৪ তাৰিখে ঘটিছিল আৰু এজাহাৰখন ০২/০৮/২০১৪ তাৰিখে দাখিল কৰা হৈছিল। থানাৰ পৰা প্ৰায় ৫ কিলোমিটাৰ দূৰত ঘটনা সংঘটিত হৈছিল আৰু এজাহাৰকাৰীয়ে তেওঁক ঘটনা সংঘটিত হোৱা ঠাইলৈ লৈ গৈছিল। অভিযোজন পক্ষৰ ১৫ নং সাক্ষী কৈছে যে যদিও তেওঁ তদন্ত আৰম্ভ কৰিছিল, বদলি হোৱাৰ বাবে তেওঁ তদন্তৰ কাম সম্পূৰ্ণ কৰিব পৰা নাছিল।

২২) অভিযোজন পক্ষৰ ১৬ নং সাক্ষী আলী হুছেইন হৈছে আগিয়া থানাৰ উপ-পৰিদৰ্শক যিয়ে অভিযোজন পক্ষৰ ১৫ নং সাক্ষীৰ পৰা এই গোচৰটোৰ তদন্তৰ দায়িত্ব লৈছিল আৰু তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত অভিযোগনামা দাখিল কৰিছিল। অভিযোজন পক্ষৰ ১৬ নং সাক্ষীৰ মতে তদন্তৰ সময়ত তেওঁ কৃষ্ণাই থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ পৰা সংবাদ পাইছিল যে থানা এলেকাত দুজন সন্দেহযুক্ত আচামী ঘূৰা ফুৰা কৰি আছিল। এনে সংবাদ লাভ কৰাৰ পিছত তেওঁ স্টাফৰ সৈতে কৃষ্ণাই থানালৈ গৈছিল আৰু পাইকানৰ সমীপত আচামী

অৰূপ ৰাভা আৰু অনুপম ৰাভাক আটক কৰিছিল। সোধপোছ কৰাৰ পিছত গ্ৰেপ্তাৰ কৰা আচামী দুজনক আদালতলৈ প্ৰেৰণ কৰা হয়। অভিযোজন পক্ষৰ ১৬ নং সাক্ষী কৈছে যে আচামী অৰূপ ৰাভা আৰু অনুপম ৰাভাই ভুক্তভোগীক হত্যা কৰি মৃতদেহটো বৰমোহৰা পাহাৰত পুতি থোৱাৰ কথা স্বীকাৰ কৰিছিল আৰু পুতি থোৱা ঠাই দেখুৱাই দিব পাৰিব বুলি কৈছিল। সেই অনুসৰি তেওঁ আটকাধীন আচামী দুজনক বৰমোহৰা পাহাৰলৈ লৈ যায় আৰু অভিযুক্তসকলে দেখুৱাই মতে কাৰ্যবাহী দণ্ডাধীশ আৰু অন্যান্য ব্যক্তিৰ উপস্থিতিত মৃতকৰ মৃতদেহ কবৰৰ পৰা খান্দি উলিয়ায়। কাৰ্যবাহী দণ্ডাধীশে (অভিযোজন পক্ষৰ ১৩ নং সাক্ষী) ছুৰতহাল কৰিছিল আৰু তাৰ পিছত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয়। তেওঁ তদন্তৰ প্ৰতিবেদনৰ লগতে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন সংগ্ৰহ কৰি অভিযুক্ত অৰূপ ৰাভা আৰু অনুপম ৰাভাই দিয়া জবানবন্দিৰ ভিত্তিত আন তিনিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছিল। জেৰাৰ সময়ত অভিযোজন পক্ষৰ ১৬ নং সাক্ষী কৈছে যে অভিযুক্ত ব্যক্তিসকলৰ জবানবন্দি তেওঁ লিপিবদ্ধ কৰিছিল আৰু তেওঁলোকে ঘটনাৰ সৈতে জড়িত বুলি স্বীকাৰ কৰিছিল যদিও তেওঁলোকৰ বক্তব্য ফৌঃকাঃবিঃ আইনৰ ধাৰা ১৬৪ অধীনত লিপিবদ্ধ কৰা হোৱা নাছিল। অভিযোজন পক্ষৰ ১৬ নং সাক্ষী আৰু কৈছে যে বৰমোহৰা পাহাৰৰ পৰা মৃতদেহ উদ্ধাৰৰ সময়ত তেওঁ গাঁৱৰ একাংশ লোকক মাতিছিল যদিও সেই লোকসকল স্থানীয় অঞ্চলৰ সন্মানীয় লোক বুলি উল্লেখ কৰা নাছিল বুলি স্বীকাৰ কৰিছে। তদন্তকাৰী বিষয়াজনে আৰু স্বীকাৰ কৰিছে যে অভিযুক্ত ব্যক্তিসকলৰ জবানবন্দি লিপিবদ্ধ কৰাৰ সময়ত তেওঁ কোনো বাহিৰৰ লোকক থানালৈ মাতা নাছিল। অভিযোজন পক্ষৰ ১৬ নং সাক্ষীয়ে এইটোও স্পষ্টভাৱে স্বীকাৰ কৰিছে যে তদন্তৰ সময়ত যদিও তেওঁ গম পাইছিল যে ভুক্তভোগীজনক দুষ্কৃতিকাৰীয়ে ফোন কৰিছিল, তথাপিও তেওঁ ফোন

নম্বৰসমূহৰ সবিশেষ আৰু যিটো ফোন নম্বৰৰ পৰা ফোন কৰা হৈছিল তাৰ সৈতে জড়িত অন্যান্য সবিশেষ সংগ্ৰহ কৰা নাছিল।

২৩) ০৩/১২/২০১৮ তাৰিখৰ বিবাদিত ৰায়দানত বিজ্ঞ অতিৰিক্ত সত্ৰ ন্যায়াধীশে স্পষ্টভাৱে লক্ষ্য কৰিছে যে তদন্তকাৰী বিষয়াৰ প্ৰমাণ মৃতদেহ উদ্ধাৰৰ সময়ত উপস্থিত থকাসকলকে ধৰি আন কোনো সাক্ষীয়ে সমৰ্থন কৰা নাই আৰু সেয়েহে ঘটনাস্থলীত অভিযুক্ত অনুপম ৰাভাৰ উপস্থিতি সন্দেহজনক যেন লাগে। ওপৰৰ দৰে মতপোষণ কৰি বিজ্ঞ নিম্ন আদালতে আপীলকাৰীক যোগেন্দ্ৰ নাৰায়ণ কলিতাক অপহৰণ আৰু হত্যাৰ বাবে দোষী সাব্যস্ত কৰি আন অভিযুক্তসকলক খালাচ দিয়ে।

২৪) গোচৰৰ নথিত উপলব্ধ সাক্ষ্য-প্ৰমাণৰ বিশ্লেষণৰ পৰা নিঃসন্দেহে এইটো স্পষ্ট যে ঘটনাৰ তাৰিখত অৰ্থাৎ ৩০/০৭/২০১৪ তাৰিখে মৃতকে ফোন পোৱাৰ লগে লগে ঘৰৰ পৰা ওলাই গৈছিল আৰু জীৱিত অৱস্থাত ঘৰলৈ উভতি নাহিল। প্ৰায় এসপ্তাহৰ পিছত বৰমোহৰা পাহাৰৰ এখন বনাঞ্চলৰ পৰা তেওঁৰ মৃতদেহ খান্দি উলিওৱা হৈছিল। চিকিৎসাৰ প্ৰমাণৰ লগতে ছুৰতহাল প্ৰতিবেদনে সম্পূৰ্ণৰূপে প্ৰতিষ্ঠা কৰে যে ভুক্তভোগীৰ মৃত্যু আছিল এক হত্যা। অভিযোজন পক্ষৰ ১, ২ আৰু ৩ নং সাক্ষীৰ সাক্ষ্যৰ পৰা দেখা যায় যে কিছুমান অজ্ঞাত দুষ্কৃতিকাৰীয়ে ভুক্তভোগীক মুকলি কৰি দিয়াৰ বাবে ১০ লাখ টকাৰ মুক্তিপণ দাবী কৰিছিল। কিন্তু এই গোচৰটোত এই আদালতৰ বিবেচনাৰ বাবে উত্থাপিত হ'বলগীয়া মূল প্ৰশ্নটো হ'ল যে অভিযোজন পক্ষই অকল আপীলকাৰী/আচামী অৰূপ ৰাভাই ভুক্তভোগীক অপহৰণ কৰি হত্যা কৰিছিল আৰু মৃতদেহটো বনাঞ্চলত পুতি থৈ লুকুৱাই ৰাখিছিল বুলি যুক্তিসংগত সন্দেহৰ বাহিৰত প্ৰমাণ কৰিবলৈ পৰিস্থিতিৰ শৃংখলত সংযোগ স্থাপন কৰাত সফল হৈছিল নেকি?

আমাৰ বিবেচিত মতামতত উক্ত প্ৰশ্নৰ উত্তৰ গোচৰৰ তথ্য মতে নেতিবাচক হ'ব। কাৰণসমূহ তলত দিয়া ধৰণৰ।

২৫) ওপৰত উল্লেখ কৰা অনুসৰি অভিযুক্ত অৰূপ ৰাভা আৰু আন এজন অনুপম ৰাভাই দেখুৱাই দিয়া মতে বনাঞ্চলৰ পৰা মৃতদেহটো উদ্ধাৰ কৰা বুলি দাবী কৰাৰ বাহিৰে আচামীগনক ঘটনাৰ সৈতে জড়িত কৰিব পৰাকৈ প্ৰমাণৰ ক্ষুদ্ৰ অংশও নাই। অভিযুক্ত অৰূপ ৰাভাই আৰক্ষীক মৃতদেহটো পোৱা ঠাইলৈ লৈ গৈছিল বুলি অভিযোজন পক্ষৰ দাবী সংক্ৰন্তত যিমানদূৰলৈকে আমি দেখিবলৈ পাওঁ, সেয়া হৈছে যে তদন্তকাৰী বিষয়াৰ উক্ত দাবী প্ৰমাণ কৰিবলৈ গোচৰৰ পঞ্জীত কোনো সমল নাই। ইয়াত কোনো সন্দেহ নাই যে অভিযোজন পক্ষৰ ১৬ নং সাক্ষীয়ে আদালতত সাক্ষ্য দিওঁতে কৈছে কৰিছে যে অভিযুক্ত অৰূপ ৰাভা আৰু অনুপম ৰাভাই তেওঁৰ সন্মুখত স্বীকাৰ কৰিছিল যে তেওঁলোকে ভুক্তভোগীক হত্যা কৰি মৃতদেহটো বৰমোহৰা পাহাৰত পুতি থৈছিল আৰু তেওঁলোকে পুতি থোৱা স্থান দেখুৱাব পাৰিব, তথাপিও উক্ত তথ্যটো প্ৰতিষ্ঠা কৰিবলৈ নথিত কোনো সমৰ্থনকাৰী প্ৰমাণ উপলব্ধ নহয়। প্ৰকৃতপক্ষে বিজ্ঞ নিম্ন আদালতেও তদন্তকাৰী বিষয়াৰ সাক্ষ্য বিশেষকৈ আচামীয়ে স্বীকাৰ কৰাৰ কথা আৰু/বা আচামী অনুপম ৰাভাই দেখুৱাই দিয়া মতে মৃতদেহ উদ্ধাৰ হোৱাৰ কথা বিশ্বাস কৰিছিল। তদন্তকাৰী বিষয়া (অভিযোজন পক্ষৰ ১৬ নং সাক্ষী) সাক্ষ্যত কৈছে যে দুয়োজন আচামীক অৰ্থাৎ অৰূপ ৰাভা আৰু অনুপম ৰাভাক মৃতদেহটো পুতি থোৱা স্থানলৈ লৈ যোৱা হৈছিল কিন্তু আন কোনো সাক্ষীয়ে সাক্ষ্যত কোনা নাই যে আপীলকাৰী অৰূপ ৰাভাই মৃতদেহটো পুতি থোৱা ঠাইখন দেখুৱাই দিছিল। ঘটনাস্থলীত অনুপম ৰাভাৰ উপস্থিতি সন্দৰ্ভত তদন্তকাৰী বিষয়াৰ ভাষ্যক সাক্ষীসকলে সমৰ্থন কৰা নাই।

২৬) অভযোজন পক্ষৰ ১ নং সাক্ষীয়ে সাক্ষ্যত কৈছে যে আপীলকাৰীজন সেই ঠাইতে উপস্থিত আছিল। অভযোজন পক্ষৰ ৯ নং সাক্ষী সন্তোষ ৰাভাও সাক্ষ্যত কৈছে যে ছাফাই কৰ্মীৰ সহায়ত মৃতদেহটো খান্দি উলিওৱাৰ সময়ত তেওঁৰ লগত অভিযুক্ত অৰূপ ৰাভা, অভিযোজন পক্ষৰ ১০ নং সাক্ষী আৰু আৰক্ষী সেই স্থানত উপস্থিত আছিল। কিন্তু কৌতুহলজনকভাৱে অভিযোজন পক্ষৰ ১০ নং সাক্ষী থনিন্দ্ৰ ৰাভাই অৰূপ ৰাভাৰ উপস্থিতিৰ কথা উল্লেখ কৰা নাছিল। তাৰ বাহিৰেও অভিযোজন পক্ষৰ ১ আৰু ৯ নং সাক্ষীয়ে কোৱা নাই যে অৰূপ ৰাভাই মৃতদেহটো পুতি থোৱা ঠাইডোখৰ দেখুৱাই দিছিল। গোচৰ পঞ্জীত এনেধৰণৰ কোনো প্ৰৱিশ্টিৰ অভাৱত আৰক্ষীয়ে দাবী কৰা মতে অভিযুক্ত অৰূপ ৰাভাই দেখুৱাই দিয়া মতে মৃতদেহটো আচলতে উদ্ধাৰ কৰা হৈছে নে নাই সেয়া সন্দেহজনক।

২৭) অভিযোজন পক্ষৰ ১৬ নং সাক্ষীয়ে সাক্ষ্যত কৈছে যে আচামীসকলে ভুক্তভোগীক হত্যা কৰাৰ কথা স্বীকাৰ কৰিছিল। কিন্তু যদিহে আচামীসকলে প্ৰকৃততে ভুক্তভোগীক হত্যা কৰাৰ কথা স্বীকাৰ কৰিছিল, তেওঁলোকৰ স্বীকাৰোক্তিমূলক জবানবন্দি ফৌঃকাঃবিঃ আইনৰ ধাৰা ১৬৪ অধীনত লিপিবদ্ধ কৰিবলৈ কিয় কোনো চেষ্টা কৰা হোৱা নাই তাৰ কোনো ব্যাখ্যা নাই।

২৮) ওপৰৰ কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি আমি এইটোও কব বিচাৰো যে আইনত ভালদৰে বিধান দিয়া হৈছে যে সাক্ষ্য আইনখনৰ ২৭ নং ধাৰাত কোনো তথ্যৰ আৱিষ্কাৰে কোনো ব্যক্তিক হত্যাৰ দৰে অপৰাধ সংঘটিত কৰাৰ বাবে দোষী সাব্যস্ত কৰিবলৈ পৰ্যাপ্ত নহয় যদিহে সুনিৰ্দিষ্ট প্ৰমাণৰ দ্বাৰা পৰিস্থিতিৰ শৃংখলৰ অন্যান্য যোগসূত্ৰসমূহ সঠিকভাৱে প্ৰতিষ্ঠা কৰা নহয়। বহুতো কৰ্তৃত্বশীল ঘোষণাৰ দ্বাৰা মাননীয় উচ্চতম ন্যায়ালয়ে মত পোষণ

কৰিছে যে সাক্ষ্য আইনৰ ধাৰা ২৭ হৈছে ধাৰা ২৫ আৰু ২৬ৰ ব্যতিক্ৰম। আপীলকাৰীৰ অধিবক্তাই নিৰ্ভৰ কৰা **এন্তৰ সিঙ** (উপৰোক্ত) গোচৰত উচ্চতম ন্যায়ালয়ে মত পোষণ কৰিছে যে সাক্ষ্য আইনৰ ধাৰা ২৭ৰ ধাৰাৰ অধীনত আৱিষ্কাৰ হোৱা কেৱল তথ্যৰ সৈতে জড়িত কথাখিনিহে সাক্ষ্যত গ্ৰহণযোগ্য হ'ব, ইয়াতকৈ বেছি নহয়। সাক্ষ্য আইনৰ ধাৰা ২৭ৰ প্ৰয়োগৰ বাবে পৰীক্ষা নিৰ্ধাৰণ কৰাৰ সময়ত এইটোও মত পোষণ কৰা হৈছে যে ধাৰাটোক কাৰ্যকৰী কৰিবলৈ প্ৰয়োজনীয় প্ৰথম চৰ্ত হ'ব অপৰাধৰ অভিযোগত অভিযুক্ত ব্যক্তিৰ পৰা তথ্যৰ আৱিষ্কাৰ, যদিও সেয়া কোনো প্ৰাসংগিক তথ্য। দ্বিতীয়টো চৰ্ত হ'ব যে এনে তথ্য আৱিষ্কাৰৰ কথা সাক্ষ্যত কব লাগিব আৰু তৃতীয়টো হ'ব যে তথ্য লাভ কৰাৰ সময়ত অভিযুক্তজন আৰক্ষীৰ জিম্মাত থাকিব লাগিব। ধাৰা ২৭য়ে আৰক্ষীৰ জিম্মাত থকাৰ সময়ত দিয়া স্বীকাৰোক্তিমূলক জবানবন্দিৰ বিৰুদ্ধে থকা নিষেধাজ্ঞা আংশিকভাৱে উঠাই লয় কাৰণ অভিযুক্তৰ কথাৰ পৰা যদি প্ৰকৃততে কোনো তথ্য আৱিষ্কাৰ হয়, তেন্তে ই সেই অংশটোৰ সত্যতাৰ কিছু নিশ্চয়তা প্ৰদান কৰিব, তথ্যৰ কেৱল সেই অংশটোহে যিটো স্পষ্ট, তাৎক্ষণিক আৰু ওচৰৰ।

২৯) যদি অভিযুক্তই আৰক্ষীৰ জিম্মাত থকাৰ সময়ত মৃতদেহটো আৱিষ্কাৰ হোৱাৰ দিশত তথ্য প্ৰদান কৰিছিল, তেন্তে উক্ত তথ্যটোক নিঃসন্দেহে সাক্ষ্য আইনৰ ধাৰা ২৭ অনুসৰি প্ৰমাণ হিচাপে গণ্য কৰা হ'লহেঁতেন। কিন্তু গোচৰৰ নথিত উপলব্ধ তথ্য সযতনে পৰীক্ষা কৰি আমি এই কথা বুজিব পৰা নাই যে অভিযুক্ত অৰূপ ৰাভাই দিয়া তথ্য, যদি আছিল, কি আছিল বা তেওঁ কি তথ্য প্ৰদান কৰিছিল যাৰ ভিত্তিত মৃতদেহটো উদ্ধাৰ হৈছিল। বৰঞ্চ ওপৰত লক্ষ্য কৰা মতে আমি দেখিবলৈ পাওঁ যে য'ৰ পৰা মৃতদেহটো থান্দি উলিওৱা

হৈছিল, সেই ঠাইত অভিযুক্ত অৰূপ ৰাভাৰ উপস্থিতিৰ সৈতে জড়িত সাক্ষীসকলৰ সাক্ষ্যত প্ৰগাঢ় বৈপৰীত্য আৰু বাদ পৰি যোৱা কথা আছে।

৩০) **এআইআৰ ১৯৪৭ পিচি ৬৭**ত প্ৰকাশিত **পুলুকুৰি কোট্টায়া বনাম সম্ৰাট** গোচৰত মত পোষণ কৰা হৈছে যে তথ্য আৱিষ্কাৰৰ দিশত দিয়া তথ্যই অভিযোজন গোচৰৰ ভেটি হ'ব নোৱাৰে কাৰণ ই প্ৰমাণৰ শৃংখলৰ এটা যোগসূত্ৰ আৰু আন যোগসূত্ৰবোৰ আইনে অনুমতি দিয়া ধৰণে, সংযোজিত হ'ব লাগিব।

৩১) সাক্ষ্য আইনৰ ধাৰা ২৭ৰ পৰিসৰ ব্যাখ্যা কৰাৰ সময়ত উচ্চতম ন্যায়ালয়ে **মুস্তাকিম ওৰফে চিৰাজুদ্দিন** (উপৰোক্ত) গোচৰত তলত দিয়া ধৰণে মত পোষণ কৰিছে:-

> "২৫. আইনখনৰ ধাৰা ২৭ সন্দৰ্ভত গুৰুত্বপূৰ্ণ কথাটো হ'ল যে অভিযুক্তই প্ৰকাশ কৰা কথাৰ পৰা তথ্যৰ আৱিষ্কাৰ কৰা কিন্তু কেৱল এনে প্ৰকাশৰ ফলত স্বয়ংক্ৰিয়ভাৱে এই সিদ্ধান্ত লোৱা নহ'ব যে অপৰাধটো অভিযুক্তইও সংঘটিত কৰিছিল। আচলতে ইয়াৰ পিছত তেনে আৱিষ্কাৰ আৰু অপৰাধ সংঘটিত কৰাত ইয়াৰ ব্যৱহাৰৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰাৰ বোজা অভিযোজন পক্ষৰ ওপৰত পৰে। আইনখনৰ ধাৰা ২৭ত যিটো গ্ৰহণযোগ্য সেয়া হৈছে আৱিষ্কাৰৰ দিশত যোৱা তথ্য কিন্তু ইয়াৰ ওপৰত অভিযোজন পক্ষই লোৱা কোনো মতামত নহয়।"

৩২) এই গোচৰটোত, আনকি আৰক্ষীৰ জিম্মাত থকাৰ সময়ত আপীলকাৰীয়ে প্ৰকাশ কৰা তথ্যৰ ভিত্তিত মৃতদেহ উদ্ধাৰ কৰা বুলি ধৰি ল'লেও, কেৱল সেইটোৱেই আপীলকাৰীক ভুক্তভোগীক হত্যা কৰাৰ বাবে দোষী সাব্যস্ত কৰিবলৈ অপৰ্যাপ্ত হ'ব। এই গোচৰত অভিযোজন পক্ষই আচামী দোষী সাব্যস্ত হোৱাৰ

দিশত অকল পৰিস্থিতিৰ শৃংখলৰ আন সকলো যোগসূত্ৰ স্থাপন কৰাত ব্যৰ্থ হোৱাই নহয়, আপীলকাৰীক ভুক্তভোগীৰ অপহৰণ বা হত্যাৰ সৈতে দূৰৈৰ পৰাও সংযোগ কৰাত ব্যৰ্থ হৈছে। গতিকে আমাৰ মতে অভিযুক্তৰ বিৰুদ্ধে উত্থাপিত অভিযোগ প্ৰমাণ কৰাত অভিযোজন পক্ষ ব্যৰ্থ হৈছে। যদি তেনেকুৱা হয়, তেন্তে ০৩/১২/২০১৮ তাৰিখৰ বিবাদিত ৰায় আৰু আদেশ আমাৰ মতে আইনৰ দৃষ্টিত বাহাল ৰাখিব নোৱাৰি আৰু সেয়েহে ই বাতিলযোগ্য।

৩৩) আমি সেই অনুসৰি গোৱালপাৰাৰ বিজ্ঞ অতিৰিক্ত সত্ৰ ন্যায়াধীশে দিয়া ০৩/১২/২০১৮ তাৰিখৰ বিবাদিত ৰায় আৰু আদেশ বাতিল কৰি আপীলকাৰীক মুক্ত কৰি দিলোঁ।

আমাক জনোৱা হৈছে যে আপীলকাৰী অৰূপ ৰাভা বৰ্তমান জেলত আছে। আমি, সেয়েহে, নিৰ্দেশ দিওঁ যে তেওঁক তৎক্ষণাত মুকলি কৰি দিয়া হওক যদিহে তেওঁক আন কোনো গোচৰ সংক্ৰান্তত জিম্মাত ৰখাটো প্ৰয়োজনীয় নহয়।

গোচৰৰ নথি ঘূৰাই পঠোৱা হওক।

**ন্যায়াধীশ** **ন্যায়াধীশ**

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”

অনুবাদকঃ

মোঃ ছফিজুৰ ৰহমান

মুখ্য অনুবাদক